*Form No. Ex- 8*

Particulars about the candidate and the subject are **checked thoroughly** and corrected where necessary.

Sl. No............................2884

CENTRE CODE :..............2602

**Invigilator**

**Signature of Officer-in-Charge**

# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## Degree First Semester Examination, 2015

## বিষয় ঃ অসমীয়া (MIL)

## অসমীয়া কবিতা, নাটক আৰু ব্যাকৰণ [BAS 01]

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

369-ASM

**Enrolment Number**

**Medium of Answer :**

| Que. No. | Marks |
|---|---|
| 1. | |
| 2. | |
| 3. a | |
| 3. b | |
| 3. c | |
| 3. d | |
| 3. e | |
| 3. f | |
| 3. g | |
| 4. a | |
| 4. b | |
| 4. c | |
| 5. a | |
| 5. b | |
| 5. c | |
| | |
| | |
| | |
| | |
| | |
| **Total** | |

**INSTRUCTIONS TO CANDIDATES**

1. This booklet contains.....24.... Pages numbering...23..Please verify number of pages in the booklet before answering.
2. An Examinee is allowed to bring only Admission Card and Identity Card to the Examination Hall. Any Examinee found in possession of loose papers, books etc. is liable to be Expelled.
3. Enrolment No. and Medium of answer must be written legibly at the specified places. Examinee's name and any other identifying mark which reveals examinees identity shall not be written anywhere in the script.
4. For Making calculations, only the last page provided for rough work shall be used.
5. No pages of the script be torn out .
6. Calculators will not be allowed for making calculations in the examination hall. ***MOBILE PHONES are strictly prohibited in the examination Centre***.
7. No candidate will be allowed to leave or go out of the hall during the First hour of the Examination.
8. A candidate having completed his/her answer, the script must be handed over, to an invigilator before leaving the hall.
9. Contravention of any of the instructions mentioned above shall render a candidate liable for disciplinary action as per regulations of the University.

Examiner's Signature : ______________

Examiner's Full Name : ________________________________

Scrutiniser's Signature : ______________

Scrutiniser's Full Name : ________________________________

Head Examiner's Signature : ___________________

১। তলৰ যিকোনো আঠটা প্ৰশ্নৰ চমু উত্তৰ লিখক। ১×৮ = ৮

(ক) সত্ৰৰ সন্ত-মহন্তসকলৰ মতে বৰগীত কেই প্ৰকাৰৰ আৰু কি কি?

(খ) 'ৰমন্যাস' শব্দটো কোনে কেতিয়া নিৰ্মাণ কৰি উলিয়ায়?

(গ) 'নাটকীয় একোক্তি' মানে কি?

(ঘ) নৰকান্ত বৰুৱাই লিখা দুখন কবিতাপুথিৰ নাম উল্লেখ কৰক।

(ঙ) অংকীয়া নাটৰ মূল ৰস কি?

(চ) শ্ৰীমদ্ভাগৱত পুৰাণৰ কোনটো স্কন্ধত কালিদমনৰ কাহিনীভাগ পোৱা যায়?

(ছ) কালিদমন নাটৰ কালিনাগ কিহৰ প্ৰতীক?

(জ) চিত্ৰলেখাই কিহৰ ছদ্মৰূপ ধাৰণ কৰি দ্বাৰকাত প্ৰৱেশ কৰিছিল?

(ঝ) বাণাসুৰৰ বাপেকৰ নাম কি আছিল?

(ঞ) অব্যয়ীভাব সমাস বুলিলে কি বুজে?

২। তলৰ যিকোনো আঠটা প্ৰশ্নৰ উত্তৰ লিখক। ২×৮ = ১৬

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) বৰগীতৰ বৈশিষ্ট্য কেইটা কি কি?

(খ) 'প্ৰতিমা' আৰু 'বীণ বৰাগী'ত কেইটাকৈ কবিতা সংকলিত হৈছে?

(গ) দেৱকান্ত বৰুৱাক কিহৰ কবি বুলি কোৱা হয়? তেওঁৰ কাব্যচিন্তাৰ কেন্দ্ৰবিন্দুত কি অৱস্থিত?

(ঘ) 'জয়ন্তী' আলোচনীৰ পাতত দেখা পোৱা নতুন কবিতাৰ দুটা ধাৰা কি কি আছিল?

(ঙ) মহাপুৰুষ শংকৰদেৱৰ নাটসমূহৰ প্ৰধান চৰিত্ৰ বা কেন্দ্ৰীয় চৰিত্ৰ কোন?

(চ) কালিদমন নাটত 'বনাগ্নি পান' ঘটনাংশ সংযোগ কৰাৰ মূল কাৰক কি বুলি আপুনি ভাবে?

(ছ) শোণিত কুঁৱৰী নাটকখনত অনিৰুদ্ধ বানাসুৰৰ হাতত বন্দী হৈ থকাৰ সম্বাদ কৃষ্ণক কোনে দিছিল? সেই সম্বাদ লাভ কৰি কৃষ্ণই কি কৰিছিল?

(জ) জ্যোতিপ্ৰসাদ আগৰৱালাই কিমান চনত আৰু কোন ঠাইত 'জোনাকী' নামেৰে চিনেমা হল সাজি উলিয়াইছিল?

(ঝ) বিভক্তি আৰু প্ৰত্যয়ৰ পাৰ্থক্য লিখক।

(ঞ) ব্যাকৰণসিদ্ধ লিংগ কাক বোলে? অসমীয়া ভাষাত এই লিংগভেদ আছেনে?

৩। তলৰ যিকোনো পাঁচটাৰ চমুকৈ বুজাই লিখক। ৪×৫ = ২০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ **১০০** টা শব্দৰ ভিতৰত লিখিব)

(ক) ‘তেজৰে কমলাপতি’ কবিতাটোত প্ৰকাশ পোৱা কাব্যিক সৌন্দৰ্য সম্পৰ্কে লিখক।

(খ) কৃত্ৰিম বেলাড হিচাপে তেজীমলা কবিতাটো প্ৰতিপাদন কৰক।

(গ) ৰমন্যাসিক কবিতা হিচাপে তেজীমলা কবিতাটো বিচাৰ কৰক।

(ঘ) ব্যাখ্যা কৰক—

“নিপোটল বুকু, লাটুমণি ওঁঠ
দুয়োপাৰি দাঁত ডালিম-গুটি;
মৰুময় মোৰ পৃথিৱীত সখী,
তুমি কবিতাৰ একোটি সুঁতি।”

(ঙ) ‘ইয়াত নদী আছিল’ কবিতাটোত দেখা পোৱা পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি টোকা লিখক।

(চ) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক—

“ওহি বোলি ঈশ্বৰ চেষ্টা দেখাই
তওকালে যে প্ৰচণ্ড বহ্নিক মুখে
পান কয়ল। দুৰ্ঘোৰ বহ্নি যৈচে
জল পৰিত্ৰ তওকালে নিৰ্ব্বান গেল।
তাহে পেখি গোপ-গোপীসব জয়
জয় কৃষ্ণ কৃষ্ণ জোকাৰ পাবল।”

(ছ) বিভক্তি কাক বোলে? অসমীয়া কাৰক বিভক্তিৰ এখন তালিকা প্ৰস্তুত কৰক।

৪। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক। ৮×২ = ১৬

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ - ৩০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'মনোৰমা' কবিতাটিত প্ৰতিফলিত দেহজ প্ৰেমৰ বৰ্ণনা দাঙি ধৰি তাৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

(খ) আধুনিক কবিতা হিচাপে 'ইয়াত নদী আছিল' কবিতাটো প্ৰতিপাদন কৰক।

(গ) সমাস কাক বোলে? সমাসৰ প্ৰকাৰভেদ উল্লেখ কৰি প্ৰতি বিধৰে উদাহৰণ দি বুজাই লিখক।

৫। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক। ১০×২ = ২০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০ - ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অংকীয়া নাটৰ কলা-কৌশল সম্পৰ্কে এটি আলচ যুগুত কৰক।

(খ) 'কালিদমন' নাটৰ ৰস বিচাৰ কৰক।

(গ) 'শোণিত কুঁৱৰী' নাটকৰ সংলাপ সম্পৰ্কে এটি প্ৰবন্ধ লিখক।